# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় সংগীত

মহাপ্ৰাণৰ প্ৰতীতি সামৰি
সেউজ সভাত জিলিকে জ্ঞানৰ আলয়
ই যে শত শতৰ সাধনা তীৰ্থ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

কত বুৰঞ্জী বুকুত সাৱটি
বৈ যায় বৈ যায় জলজলী নৈ
পাহাৰপাৰাৰ কত লোক-গাঁথা
কল্ কল্ সুৰে আজিও আছে কৈ।

স্বৰ্গদেউ আহিলে নগৰখন বেঢ়িলে
ঘটালে ব্ৰেহ্মীয়ে যেতিয়া প্ৰলয়
দুৰ্জেয় দুৰ্গেয় এই অলকাপুৰী
দুষ্কৃতি-দানৱে চলায় তাণ্ডৱ
শ্বহীদৰ প্ৰাণত শৃংখল ছিঙাৰ
উজলিল তেজৰ ভীষণ ডমৰু।

সংস্কৃতি সৌধ সাজিবলৈ লাগে
ত্যাগৰ মণি প্ৰাণৰ বাখৰ
কত খনিকৰে বুকুৰ হেঁপাহেৰে
লিখিলে ইয়াতেই তাৰেই আখৰ
ই যে আমাৰ বুকুৰ বীজমন্ত্ৰ
আমাৰ সুৰৰ মূৰ্ছনালয়।

ৰচনা ঃ ড° পৰাগ কুমাৰ ভট্টাচাৰ্য
সুৰ ঃ ড° নীলকমল বৰদলৈ